**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-08-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ভাৰতীয় চিকিৎসা সংস্থাই আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ লিখি স্বাস্থ্য কৰ্মীৰ বিৰুদ্ধে সংঘটিত হিংসা নিয়ন্ত্ৰণ কৰাৰ বাবে এখন কেন্দ্ৰীয় আইন প্ৰণয়নৰ ক্ষেত্ৰত হস্তক্ষেপ বিচাৰিছে।

২। কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কালি প্ৰতিষেধকৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত চবকা ৰোগ মুক্ত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে লোৱা ব্যৱস্থাৰ পৰ্যালোচনা চলায়।

৩। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে দেশত বৰ্তমানলৈকে মাংকিপক্সত আক্ৰান্ত কোনো ৰোগী চিনাক্ত হোৱা নাই।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন আদালতে ২০০৮ চনৰ ২৬ নৱেম্বৰত সংঘটিত মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ অভিযুক্ত তহববুৰ হুছেইন ৰাণাক ভাৰতলৈ প্ৰত্যৰ্পনৰ অনুমতি প্ৰদান কৰিছে।

*আৰু*

৫। ভাৰতীয় বেডমিণ্টন সংস্থাই মঙলবাৰে চীনৰ চেংদুত আৰম্ভ হ'বলগীয়া ১৫ আৰু ১৭ বছৰৰ অনুৰ্ধৰ জুনিয়ৰ চেম্পিয়নশ্বিপৰ বাবে এটা ৩৯ জনীয়া দল প্ৰেৰণ কৰিছে।

ooooo

ভাৰতীয় চিকিৎসা সংস্থাই কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন পত্ৰ লিখিছে আৰু স্বাস্থ্য কৰ্মীৰ বিৰুদ্ধে সংঘটিত হিংসা নিয়ন্ত্ৰণ কৰাৰ বাবে এখন কেন্দ্ৰীয় আইন প্ৰণয়নৰ ক্ষেত্ৰত তেওঁৰ হস্তক্ষেপ বিচাৰিছে। চিকিৎসা সংস্থাই লগতে চিকিৎসালয়সমূহত বিমান বন্দৰৰ দৰে সুৰক্ষাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। প্ৰধানমন্ত্ৰীলৈ লিখা পত্ৰখনত  চিকিৎসালয়ত সংঘটিত অপৰাধৰ তদন্ত নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগে আৰু শোকসন্তপ্ত পৰিয়ালক শীঘ্ৰে ন্যায় প্ৰদান কৰিব লাগে বুলি উল্লেখ কৰা হৈছে। সংস্থাই লগতে চিকিৎসকসকলৰ বাবে কৰ্মস্থলীত উন্নত বাতাবৰণৰ হকে দাবী জনাইছে।

ooooo

বিদেশমন্ত্ৰী ড০ এছ্ জশংকৰে কৈছে যে, ভাৰতে ভাৰ্চুৱেল ব্যৱস্থাৰে আয়োজন কৰা তৃতীয় ভইচ অব্ গ্লোবেল চাউথ শীৰ্ষ সন্মিলনত খাদ্য, স্বাস্থ্য আৰু শক্তি সুৰক্ষাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়লৈ আলোচনা হয়। সন্মিলনৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ড০ জয়শংকৰে  ৰাষ্ট্ৰসংঘৰ সংস্কাৰৰ আৱশ্যকতাৰ কথা দোহাৰে। তেওঁ লগতে ৰাষ্ট্ৰসংঘৰ সংস্কাৰৰ হকে দাবী বৃদ্ধি পোৱা বুলি উল্লেখ কৰে। সন্মিলনত সম্পদ, সহজে সম্পদ ব্যৱহাৰৰ সুবিধা আৰু কৰ্মসংস্থাপন তথা অৰ্থনৈতিক অসমতা বিষয়ক উদ্বেগক লৈও আলোচনা কৰা হয় বুলি বিদেশ

মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, এই বিষয়সমূহ বিভিন্ন নেতাই সন্মিলনত উত্থাপন কৰা উমৈহতীয়া সমস্যাসমূহৰ অন্যতম। ড০ জয়শংকৰে লগতে কেইবাগৰাকীও নেতাই বতৰৰ পৰিৱৰ্তন, নিৰ্গমণজনিত প্ৰত্যাহ্বান আৰু ঋণৰ বোজাৰ দৰে অন্য বিষয়ো উত্থাপন কৰে।

০০০০০

বিদেশমন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি চৰকাৰী ভ্ৰমণসূচীলৈ কুৱেইটলৈ যাব। ভ্ৰমণকালত ড০ জয়শংকৰে কুৱেইটৰ বিদেশ মন্ত্ৰী আব্দুল্লা আলী-অল-য়াহ্য়াক সাক্ষাৎ কৰিব। তেওঁ লগতে কুৱেইটৰ নেতৃবৰ্গকো সাক্ষাৎ কৰিব। ড০ জয়শংকৰৰ এই ভ্ৰমণে দুয়োপক্ষক ৰাজনীতি, বাণিজ্য, বিনিয়োগ, শক্তি, সুৰক্ষা, সংস্কৃতি, দূতাবাস আৰু জনসম্পৰ্কক ধৰি উভয় দেশৰ মাজত দ্বিপাক্ষীক সম্পৰ্কৰ বিভিন্ন দিশৰ পৰ্যালোচনা চলোৱাৰ সুযোগ প্ৰদান কৰিব। ভ্ৰমণকালত দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ মত বিনিময় কৰিব আৰু মধ্যপ্ৰাচ্য তথা দক্ষিণ এছিয়াৰ সাম্প্ৰতিক ভূ-ৰাজনৈতিক প্ৰেক্ষাপটক লৈ আলোচনা কৰিব।

০০০০০

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কালি প্ৰতিষেধকৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত চবকা ৰোগ মুক্ত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে বিভাগটোৱে লোৱা ব্যৱস্থাৰ পৰ্যালোচনা চলায়। শ্ৰী সিঙে কয় যে পশুধন খণ্ড অকল ভাৰতীয় অৰ্থব্যৱস্থাৰ বাবেই নহয় বৰং খেতিয়কসকলৰ জীৱিকাৰ দিশৰ পৰাও গুৰুত্বপূৰ্ণ। পৰ্যালোচনা বৈঠকত ২০৩০ চনৰ ভিতৰত ভাৰতবৰ্ষক চবকা ৰোগ মুক্ত কৰাৰ বাবে বিশেষ কাৰ্য পৰিকল্পনালৈ আলোচনা কৰা হয়। কেন্দ্ৰীয় চৰকাৰে কৰ্ণাটক, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, উত্তৰাখণ্ড, পাঞ্জাব, হাৰিয়ানা, মহাৰাষ্ট্ৰ আৰু গুজৰাটসহ আন ৰাজ্যসমূহ চবকা ৰোগমুক্ত কৰিব বিচাৰে। এই অঞ্চলসমূহত প্ৰতিষেধক প্ৰদান ইতিমধ্যে আৰম্ভ হৈছে। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, চবকা ৰোগৰ বাবে প্ৰতিবছৰে প্ৰায় ২৪ হাজাৰ কোটি টকাৰ লোকচান হয় আৰু এই ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰিলে গাখীৰৰ উৎপাদনো বৃদ্ধি পাব। সকলো পশু প্ৰতিষেধক ঘৰুৱাভাবে উৎপাদন কৰাৰ বিষয় লৈ সন্তুষ্টি প্ৰকাশ কৰি শ্ৰী সিঙে কয় যে, ভাৰত সম্প্ৰতি এনে প্ৰতিষেধক ৰপ্তানি কৰিব পৰা হৈছে। বৈঠকত মীন, পশুপালন আৰু দুগ্ধ উৎপাদন ৰাজ্যমন্ত্ৰী প্ৰফেছৰ এছ্ পি সিং বাঘেল উপস্থিত থাকে।

০০০০০

প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে আজি চেন্নাইত ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ অত্যাধুনিক সামুদ্ৰিক উদ্ধাৰ সমন্বয় কেন্দ্ৰ মুকলি কৰিব। তেওঁ লগতে সামুদ্ৰিক প্ৰদুষণ নিয়ন্ত্ৰন কেন্দ্ৰ আৰু পুডুচেৰীত উপকূলৰক্ষী বাহিনীৰ বায়ু বহিঃক্ষেত্ৰ উদ্বোধন কৰিব। চেন্নাই বন্দৰৰ সামুদ্ৰিক প্ৰদূষণ নিয়ন্ত্ৰণ কেন্দ্ৰ, সমুদ্ৰৰ জলপ্ৰদূষণ ৰোধৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ হ'ব। উপকূলৰ সমীপৰ জলৰাশিত তেল আৰু ৰাসায়নিক দ্ৰব্যৰ নিৰ্গমন হ'লে যাৱতীয় ব্যৱস্থা গ্ৰহণত এই কেন্দ্ৰটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ভ্ৰমণকালত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে তামিলনাডুৰ প্ৰয়াত মুখ্যমন্ত্ৰী এম কৰুণানিধিৰ সন্মাৰ্থে এটা স্মাৰক মুদ্ৰা জাৰি কৰিব।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে দেশত বৰ্তমানলৈকে মাংকিপক্সত আক্ৰান্ত কোনো ৰোগী চিনাক্ত হোৱা নাই। বিশ্ব স্বাস্থ্য সংস্থাই মাংকিপক্সক আন্তৰাষ্ট্ৰীয় স্বাস্থ্যজনিত জৰুৰী অৱস্থাৰূপে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীত আয়োজিত এখন বৈঠকত মাংকিপক্সৰ স্থিতি আৰু প্ৰস্তুতি সম্পৰ্কে

পর্যালোচনা চলায়। বৈঠকত এই বুলি কোৱা হয় যে, মাংকিপক্সৰ সংক্ৰমণ সাধাৰণতে দুইৰ পৰা চাৰি সপ্তাহৰ ভিতৰত নিজে নিজে নোহোৱা হয় আৰু ৰোগীসকলে সহায়ক ব্যৱস্থাপনাৰ জৰিয়তে সুস্থ হৈ উঠে। মন্ত্ৰালয়ে কৈছে যে, সংক্ৰমিত ৰোগীৰ নিকট সংস্পৰ্শ আহিলে বা যৌন সম্পৰ্কৰ দ্বাৰা এই ৰোগ বিয়পে। সংক্ৰমিত ৰোগীৰ কাপোৰ-কানিৰ সংস্পৰ্শলৈ আহিলেও এই ৰোগ বিয়পিব পাৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বৈঠকত ৰোগবিধৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ ভিতৰত কোনো ৰোগী চিনাক্ত হলে সকলো বিমান বন্দৰ, বন্দৰ আৰু প্ৰৱেশপথত স্বাস্থ্য গোটসমূহৰ সংবেদনশীলকৰণ, পৰীক্ষাগাৰসমূহক সাজু কৰি তোলা আৰু প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য সুবিধাসমূহ সাজু কৰি ৰখা অন্যতম। পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে স্বাস্থ্য সেৱাৰ সঞ্চালক প্ৰধানৰ অধ্যক্ষতাত পৰহি বিশেষজ্ঞসকলৰ যুটীয়া নিৰীক্ষণ গোটৰ এখন বৈঠক অনুষ্ঠিত হোৱা বুলি মন্ত্ৰালয়ে জানিবলৈ দিয়ে। স্বাস্থ্য মন্ত্ৰালয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন আদালতে ২০০৮ চনৰ ২৬ নৱেম্বৰত সংঘটিত মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ অভিযুক্ত তহববুৰ হুছেইন ৰাণাক ভাৰতলৈ প্ৰত্যৰ্পনৰ অনুমতি প্ৰদান কৰিছে। কেলিফৰ্নিয়াৰ আদালতে ভাৰত-আমেৰিকা প্ৰত্যৰ্পন চুক্তিৰ অধীনত ৰাণাক ভাৰতলৈ প্ৰেৰণ কৰিবলৈ অনুমতি প্ৰদান কৰিছে। ভাৰতে ১৬০ গৰাকী ব্যক্তিৰ প্ৰাণ কাঢ়ি লোৱা মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণ সংক্ৰান্তত ৰাণাক বিচাৰি আছিল। ৬৩ বছৰীয়া ৰাণাই ভাৰতলৈ প্ৰত্যৰ্পনৰ সম্ভাৱনাৰ বিৰুদ্ধে দাখিল কৰা এখন আবেদনৰ শুনানি লৈ ন্যায়ালয়ে এই ৰায় প্ৰদান কৰে। ৰাণা বৰ্তমান লছএঞ্জেলছৰ কাৰাগাৰত বন্দী হৈ আছে। ৰাণা পাকিস্তানী মূলৰ আমেৰিকাৰ নাগৰিক আৰু লস্কৰ-এ-তৈয়বাৰ সন্ত্ৰাসবাদী ডেভিদ ক'লমেন হেডলিৰ ঘনিষ্ঠ সহযোগী। তেওঁৰ পাকিস্তানী চোৰাংচোৱা সংস্থা আই এছ আইৰ সৈতে সম্পৰ্ক আছে বুলি অভিযোগ উত্থাপিত হৈ আহিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ২-৩ দিনত দেশৰ পূব আৰু মধ্য ভাগত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, উত্তৰ-পশ্চিম বংগোপ সাগৰত সৃষ্টি হোৱা নিম্নচাপ বলয় উত্তৰ, উত্তৰ-পশ্চিম দিশে অগ্ৰসৰ হোৱাৰ আৰু কাইলৈৰ ভিতৰত বাংলাদেশ আৰু পশ্চিমবংগৰ গংগা নৈৰ পাৰৰ এলেকাসমূহত গভীৰ নিম্নচাপলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰভাৱত ২০ আগষ্ট পৰ্যন্ত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, ছিকিম, ওড়িশা, ঝাৰখণ্ড আৰু পশ্চিমবংগৰ হিমালয় তথা গংগা নৈৰ কাষৰীয়া এলেকাসমূহত বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

ooooo

নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰজু ৰানা দেউবা ভাৰতৰ বিদেশমন্ত্ৰী ড০ এছ জয়শংকৰৰ আমন্ত্ৰণ মৰ্মে ৫ দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতত উপস্থিত হ'ব। বিদেশ মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে ভাৰত আৰু নেপালৰ মাজৰ শীৰ্ষ পৰ্যায়ৰ নিয়মীয়া বিনিময় কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ড০ দেউবা এই ভ্ৰমণলৈ আহিব। মন্ত্ৰালয়ে কৈছে যে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিত নেপাল হৈছে এখন অগ্ৰাধিকাৰৰ দেশ। তেওঁৰ এই ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে এই সম্পৰ্ক অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিব।

নেপালৰ বিদেশমন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে এই ভ্ৰমণৰ সময়ছোৱাত ড০ দেউবাই ড০ জয়শংকৰক সাক্ষাৎ কৰি নেপাল আৰু ভাৰতৰ সম্পৰ্ক আৰু সহযোগিতা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰিব।।

০০০০০

ভাৰতীয় বেডমিণ্টন সংস্থাই মঙলবাৰে চীনৰ চেংদুত আৰম্ভ হ'বলগীয়া ১৫ আৰু ১৭ বছৰৰ অনুৰ্ধ্বৰ জুনিয়ৰ চেম্পিয়নশ্বিপৰ বাবে এটা ৩৯ জনীয়া দল প্ৰেৰণ কৰিছে। জ্ঞান দত্তু আৰু তনৱি ৰেড্ডীয়ে ১৭ বছৰ অনুৰ্ধ্বৰ দলটোৰ নেতৃত্ব বহন কৰাৰ বিপৰীতে শ্যাম বিন্দিগনৱিলে আৰু তন্‌ৱি পত্ৰিয়ে ১৫ বছৰ অনুৰ্ধ্বৰ দলটোৰ নেতৃত্ব বহন কৰিব। ছাইনা মণিমুতুই ১৭ বছৰ অনুৰ্ধ্বৰ ছিংগলছৰ উপৰি এক্যা ছেট্টীৰ সৈতে ডাবলছতো অংশগ্ৰহণ কৰিব। চীনত অনুষ্ঠিত যোৱাবাৰৰ সংস্কৰণত ভাৰতে এটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছিল। বৰ্ণিল চাংমাই ল'ৰাল ১৭ বছৰ অনুৰ্ধ্বৰ শাখাত সোণৰ পদক অৰ্জন কৰিছিল। উল্লেখযোগ্য যে, ভাৰতে অহা বছৰ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপৰ আয়োজন কৰিব।

০০০০০

সমাপ্ত